# NOTICE

## ITEP (Integrated Teacher Education Programme) at Goalpara College

ITEP (Integrated Teacher Education Programme) বা সংহত শিক্ষক শিক্ষা পাঠ্যক্রম হৈছে এটি চাৰিবছৰীয়া দ্বৈত স্নাতক ডিগ্ৰী (Dual Degree) প্ৰদান কৰা পাঠ্যক্রম, যি ছাত্ৰ-ছাত্ৰীক BSc আৰু B.Ed একেলগে সম্পূৰ্ণ কৰিবলৈ সুযোগ দিয়ে। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ (NEP 2020) অনুসৰি শিক্ষক শিক্ষাৰ মান উন্নীত কৰাৰ উদ্দেশ্যে এই পাঠ্যক্ৰমটো ২০২৩ চনৰ পৰা দেশৰ নিৰ্বাচিত IIT, NIT, কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ৰাজ্যিক বিশ্ববিদ্যালয় আৰু চৰকাৰী মহাবিদ্যালয় (ভাৰতবৰ্ষত সৰ্বমুঠ ৭৭ খন) ত আৰম্ভ কৰা হৈছে।

### এই পাঠ্যক্ৰমৰ গুৰুত্বঃ

***1. সময় আৰু সম্পদৰ সঞ্চয়***

সাধাৰণতে BSc সম্পূৰ্ণ কৰিবলৈ ৩ বা ৪ বছৰৰ পিছত B.Ed কৰিবলৈ ২ বছৰ লাগে। কিন্তু ITEP-এ এই দুইটা ডিগ্ৰী একেলগে ৪ বছৰত সম্পূৰ্ণ কৰাৰ সুযোগ দিয়ে, যাৰ ফলত ১ বা ২ বছৰৰ সময় আৰু খৰচ ৰাহি হয়।

***2. পৰিপক্ক পেছাদাৰী শিক্ষক তৈয়াৰ***

এই পাঠ্যক্ৰমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে আৰম্ভৰ পৰাই শিক্ষকৰ ৰূপত গঠনৰ দিশে আগবাঢ়ে। তেওঁলোকৰ ভিতৰত শৈক্ষিক, সামাজিক, মানসিক আৰু পেছাদাৰী দক্ষতা গঢ়ি তোলা হয়।

***3. শিক্ষকৰ মান উন্নীতকৰণ***

ITEP ত প্ৰদান কৰা পাঠ্যক্ৰম আৰু প্ৰশিক্ষণৰ পদ্ধতি উন্নতমানৰ, যাৰ দ্বাৰা শিক্ষকৰ প্ৰস্তুতি অধিক প্ৰভাৱশালী হয়। এই পাঠ্যক্ৰমে ৰাষ্ট্ৰীয় পৰিসৰত এক নতুন ধৰণৰ যোগ্য, নিষ্ঠাবান আৰু প্ৰযুক্তিবিদ্যাৰ জ্ঞানসম্পন্ন শিক্ষক সৃষ্টি কৰে।

***4. নতুন শিক্ষা নীতিৰ ৰূপায়ণ***

ITEP হৈছে NEP 2020 ৰ মূল স্তম্ভসমূহৰ এটা। এই পাঠ্যক্ৰমৰ সফল ৰূপায়ণৰ দ্বাৰা দেশৰ শিক্ষা ব্যৱস্থাত গুণগত পৰিৱৰ্তন আনি শিক্ষাৰ গুণমান বৃদ্ধি পাব।

***5. অধিক পেশাগত সুযোগ***

ITEP সফলতাৰে সম্পূৰ্ণ কৰিলে ছাত্ৰ-ছাত্ৰীসকলে একে সময়তে দুটা ডিগ্ৰী লাভ কৰে, যাৰ ফলত তেওঁলোকৰ বাবে বিভিন্ন শিক্ষক পদৰ যোগ্যতা অৰ্জন হব আৰু আগলৈ বিভিন্ন চৰকাৰী-ব্যক্তিগত নিযুক্তিত অগ্ৰাধিকাৰৰ দ্বাৰা সুফল লাভ কৰিব পাৰে।

### ITEP আৰু অসমঃ

ITEP পাঠ্যক্ৰম প্ৰবৰ্তন কৰা NCTE ৰ স্বীকৃতিপ্ৰাপ্ত দেশৰ সৰ্বমুঠ ৭৭ খন উচ্চ শিক্ষানুষ্ঠানৰ (HEI) ভিতৰত ১৭ খন মহাবিদ্যালয় (ITEP offering NCTE recognized HEI) অসমত আছে। ভাৰতবৰ্ষৰ কোনো এখন ৰাজ্যতে ITEP পাঠ্যক্ৰম প্ৰবৰ্তন কৰা ইমান গৰিষ্ঠ সংখ্যক উচ্চ শিক্ষানুষ্ঠান নাই।

ভাৰতবৰ্ষত ৭৭ খন HEI ত ITEP (BA-BEd, BSc-BEd & BCom-BEd) মুঠ ৭১৫০ খন আসন আছে। উক্ত ৭১৫০ আসনৰ ১৪৫০ খন আসন অসমতে আছে। কিন্ত অসমৰ জনসাধাৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এই গুৰুত্বপূৰ্ণ পাঠ্যক্ৰমটোৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত নহয় যাৰ ফলত দেশৰ অন্য ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীয়ে অসমত আহি অধ্যয়ন কৰাৰ সুযোগ গ্ৰহণ কৰিছে।

## যোগ্যতাঃ

এই পাঠ্যক্ৰমত নামভৰ্তি কৰিবলৈ বিশেষ যোগ্যতাৰ প্ৰয়োজন।উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৫০% নম্বৰ (অনুসুচীত জাতি-জনজাতিৰ বাবে ৪৫% ) নম্বৰ পাব লাগিব। তদুপৰি NTA অনুষ্ঠিত কৰা সৰ্বভাৰতীয় NCET পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। এই বিষয়েও অসমৰ ছাত্ৰ-ছাত্ৰী সজাগ নহয়।

## উপসংহাৰঃ

ITEP হৈছে এটা যুগোপযোগী, সঞ্চয়ী আৰু গঠনমূলক পাঠ্যক্ৰম, যি দেশৰ শিক্ষাব্যৱস্থা শক্তিশালী কৰাৰ লগতে দক্ষ শিক্ষক সমাজ গঠনত সহায়ক। শিক্ষকৰ জীৱন আৰম্ভ কৰিবলৈ ই এক আধুনিক আৰু যুগান্তকাৰী প্লেটফৰ্ম হিচাপে বিবেচিত হব পাৰে।

পশ্চিম অসমৰ উচ্চ শিক্ষাৰ এখনি অন্যতম অনুষ্ঠান নাকৰ A+ গ্ৰেড প্ৰাপ্ত গোৱালপাৰা মহাবিদ্যালয়তো ২০২৫-২৬ বৰ্ষৰ পৰা ITEP (B. Sc-B Ed) ৰ নামভৰ্তি আৰম্ভ হ'ব। যোগ্যতা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে যোগাযোগ কৰিব পাৰে।

https://forms.gle/Zm5Ka4Q4xt2k61kA8

**ড° সুভাষ বৰ্মণ**

অধ্যক্ষ

গোৱালপাৰা মহাবিদ্যালয়, গোৱালপাৰা